Total No. of Printed Pages—7

## 1 SEM FYUGP GECASM1 (A/B)

**2025**

( November )

ASSAMESE

( Generic Elective Course )

Paper : GECASM1

*Full Marks* : 60 (80 for 2023 Batch)

*Time* : 2 hours (3 hours for 2023 Batch)

*The figures in the margin indicate full marks for the questions*

Paper : GECASM1 (A)

**( ভাৰতীয় সাহিত্যৰ পৰিচয় )**

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) 'ভাৰতীয় সাহিত্য' পদটো প্ৰথমে কোনে ব্যৱহাৰ কৰিছিল ?

(খ) সাহিত্য অকাডেমী কোন চনত প্ৰতিষ্ঠা হৈছিল ?

(গ) 'আধুনিক ভাৰতীয় সাহিত্য' গ্ৰন্থখন কোনে ৰচনা কৰিছিল?

(ঘ) 'অশ্বাৰোহী' কবিতাটি কোন ভাষাৰ কবিতা?

(ঙ) প্ৰেমচন্দৰ প্ৰকৃত নাম কি?

(চ) ভাৰতীয় দলিত সাহিত্যৰ মহানায়ক কাক আখ্যা দিয়া হয়?

(ছ) 'এটি কলি দুটি পাত' উপন্যাসখন কোনখন ইংৰাজী উপন্যাসৰ অনূদিত ৰূপ?

(জ) হানুছৰ পত্নীৰ নাম কি?

২। (ক) ভাৰতীয় সাহিত্যৰ ধাৰণা স্পষ্ট কৰি ইয়াৰ বৈশিষ্ট্যসমূহ ফঁহিয়াই আলোচনা কৰাঁ। ৬+৬=১২

অথবা

(খ) ভাৰতীয় সাহিত্যৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে আলোচনা কৰাঁ। ১২

৩। চমু টোকা লিখাঁ (যি কোনো দুটা): ৪×২=৮

(ক) জীৱনানন্দ দাশ

(খ) 'হানুছ' নাটকৰ মুখ্য চৰিত্ৰ

(গ) সুপ্ৰিয়া পণ্ডা

(ঘ) গংগু





৪। (ক) কবিপৰিচয়সহ 'কাঠৰ ঘণ্টাবোৰ' কবিতাটিৰ কাব্যিক মূল্যায়ন আগবঢ়োৱাঁ। ৪+৮=১২

অথবা

(খ) "জীৱনানন্দ দাশৰ 'বনলতা সেন' কবিতাটিৰ মাজেৰে মহাপ্ৰকৃতিৰ চৰম সত্য অভিব্যক্ত হৈছে।" কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰাঁ। ১২

৫। (ক) 'খুড়ী আইতা' গল্পটিৰ মাজেৰে বৃদ্ধাৱস্থাৰ কাৰুণ্য আৰু অসহায়তা কিদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰাঁ। ১০

অথবা

(খ) 'হাতী আৰু হাৰিকেন লেম্প' গল্পটিত প্ৰতিফলন ঘটা হাতী আৰু মানুহৰ সংঘাতৰ বিষয়ে আলোচনা দাঙি ধৰাঁ।

৬। (ক) 'হানুছ' নাটকৰ নাট্যকাৰৰ নাম উল্লেখ কৰি বিষয়বস্তুৰ আলোচনা কৰাঁ। ১০

অথবা

(খ) 'এটি কলি দুটি পাত' উপন্যাসত ঔপনিৱেশিক শোষণ-শাসনৰ ছবিখন কিদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰাঁ।

**( Additional 20 marks for 2023 Batch )**

৭। যি কোনো এটাৰ বিষয়ে লিখাঁ : ১০

(ক) সৰ্বেশ্বৰ দয়াল সাক্সেনা

(খ) 'বনলতা সেন' কবিতাৰ কাব্যিক গুণাগুণ

৮। (ক) 'কাঠৰ ঘণ্টাবোৰ' কবিতাটিত প্ৰগতিবাদী ভাবধাৰা কেনেদৰে প্ৰকাশ ঘটিছে, ব্যাখ্যা আগবঢ়োৱাঁ। ১০

*অথবা*

(খ) 'জামুগছ' গল্পত প্ৰতিফলিত ব্যংগ সম্পৰ্কে এটা আলোচনা যুগুত কৰাঁ।





Paper : GECASM1 (B)

( সাহিত্য পৰ্যালোচনা )

১। চমু উত্তৰ দিয়াঁ (যি কোনো ছটা) : ১×৬=৬

(ক) Criticism-অৰ অসমীয়া প্ৰতিশব্দ কি?

(খ) 'সাহিত্য তত্ত্ব আৰু সমালোচনা তত্ত্ব' কাৰ ৰচনা?

(গ) সমালোচনাৰ প্ৰথম উৎপত্তি ক'ত হোৱা বুলি কোৱা হয়?

(ঘ) ইউৰোপীয় সমালোচনাৰ জন্মদাতা বুলি কাক কোৱা হয়?

(ঙ) "Some Books are to be tested, others to be swallowed and some few to be chewed and digested." কথাষাৰ কোনে কৈছিল?

(চ) Pocket Theatreৰ অসমীয়া প্ৰতিশব্দৰূপে 'চোলা জেপৰ থিয়েটাৰ' কোনে ব্যৱহাৰ কৰিছিল?

(ছ) 'নান্দনিক ৰুচি' সমালোচকৰ গুণ হয়নে?

(জ) 'কণিকা সাহিত্য'ৰ ভিতৰুৱা এবিধ সাহিত্যৰ নাম লিখাঁ।

২। (ক) সাহিত্য পৰ্যালোচনা বুলিলে কি বুজাঁ? সাহিত্য পৰ্যালোচনাৰ বিশ্লেষণাত্মক পদ্ধতিৰ বিষয়ে আলোচনা কৰাঁ। ৬+৬=১২

*অথবা*

(খ) সাহিত্য পৰ্যালোচনাৰ পৰিচয়মূলক আৰু সমীক্ষাত্মক পদ্ধতিৰ বিষয়ে আলোচনা কৰাঁ। ৬+৬=১২

৩। (ক) সাহিত্যৰ বিষয়বস্তু আৰু সাহিত্যিকৰ মেজাজৰ মাজৰ সম্পৰ্কৰ বিষয়ে এটি আলোচনা কৰাঁ। ১২

*অথবা*

(খ) সাহিত্য সমালোচনা বুলিলে কি বুজাঁ? সাহিত্য পৰ্যালোচনা আৰু সাহিত্য সমালোচনাৰ মাজৰ সম্পৰ্কৰ বিষয়ে এটি আলোচনা কৰাঁ। ৪+৮=১২

৪। (ক) সাহিত্যৰ পটভূমি বুলিলে কি বুজাঁ? সাহিত্য পৰ্যালোচনাত সামৰি লোৱা উপকৰণবোৰৰ বিষয়ে চমুকৈ আলোচনা কৰাঁ। ৪+৮=১২

*অথবা*

(খ) সাহিত্য পৰ্যালোচনাৰ স্তৰকেইটা কি কি? সাহিত্য পৰ্যালোচনাত পঠনৰ ভূমিকাৰ বিষয়ে আলোচনা কৰাঁ। ৬+৬=১২

৫। তুমি অধ্যয়ন কৰা যি কোনো এটি পাঠৰ সাহিত্যিক পৰ্যালোচনা কৰি এটি প্ৰৱন্ধ যুগুত কৰাঁ। ১০

৬। যি কোনো এটাৰ বিষয়ে চমু টোকা লিখাঁ : ৮

(ক) বাকবিন্যাস প্ৰণালী

(খ) সাহিত্যৰ গঠন

(গ) সংশ্লেষণ

(ঘ) ষ্টাইল





**( Additional 20 marks for 2023 Batch )**

৭। (ক) সমালোচকৰ থাকিবলগীয়া গুণবোৰৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ। ১৪

*অথবা*

(খ) সাহিত্যৰ গুণাগুণ নিৰ্ণয়ৰ ক্ষেত্ৰত সমালোচকৰ ভূমিকাৰ বিষয়ে আলোচনা কৰাঁ।

৮। চমু টোকা লিখাঁ (যি কোনো এটা) : ৬

(ক) প্লট

(খ) সাহিত্যৰ ৰসাস্বাদন

***